# ভাৰতৰ উচ্চতম ন্যায়ালয়

<u>দেৱানী আপীল নং: 40/1950</u>

<u>ৰায় প্ৰদানৰ তাৰিখ : 5 ফেব্ৰুৱাৰী, 1951</u>

আপীলকাৰী : বদ্রী নাৰায়ণ ঝা আৰু অন্যান্য

বনাম

প্ৰতিবাদী : ৰামেশ্বৰ দয়াল সিং আৰু অন্যান্য।

বিচাৰপীঠ :

মহাজন, মেহৰ চান্দ, ন্যা.

বিচাৰপীঠ :

মহাজন, মেহৰ চান্দ, ন্যা.

ফজল আলী, ছাইয়িদ, ন্যা.

মুখাৰ্জী, বি.কে. ন্যা.

আয়াৰ, এন. চন্দ্ৰশেখৰ, ন্যা.

**উদ্ধৃতি:**

1951 AIR 186 1951 SCR 153

**উদ্ধৃতিৰ তথ্যঃ**

RF 1985 SC1118 (10)

D 1988 SC1365 (6)

RF 1991 SC 899 (6)

**আইনঃ**

ভূস্বামী আৰু ৰায়ত — একত্ৰীকৰণ — মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ কেইবাজনো যৌথ স্বত্বাধিকাৰীৰ ভিতৰত এজনে লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্ব অৰ্জন কৰা প্ৰসঙ্গত — একত্ৰীকৰণ নহয় — পট্টাদাৰৰ মাজত বাটোৱাৰা, পট্টাদাৰৰ প্ৰসঙ্গত পট্টাৰ অখণ্ডতা, প্ৰভাৱিত নহয়।

**মূলটোকা :**

যদি কোনো ইজাৰাদাতা/পট্টাদাতাই (lessor) ইজাৰাদাৰ/পট্টাদাৰৰ (lessee) সমগ্ৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব ক্ৰয় কৰে, তেন্তে একত্ৰীকৰণৰ বাবে ইজাৰা/পট্টা (lease) বিলুপ্ত হয়। কিন্তু মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ (mokarrari interest) ক্ষেত্ৰত কেইবাজনো যৌথ স্বত্বাধিকাৰী বা পট্টাদাৰৰ ভিতৰত যদি এজনে লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ (lakhraj interest) অংশ ক্ৰয় কৰে, তেনে ক্ষেত্ৰত কোনো একত্ৰীকৰণ বা বিলুপ্তি হব নোৱাৰে।

কেইবাজনো মকৰাৰীদাৰৰ (Mokarraridars) মাজত হোৱা আন্তঃবিভাজন বা বাটোৱাৰাই ৰায়তি স্বত্বৰ অখণ্ডতাক কোনো ধৰণে প্ৰভাৱিত নকৰে অথবা স্বত্ব থকা প্ৰতিজন ইজাৰাদাৰ/পট্টাদাৰক বেলেগ ৰায়তি স্বত্বৰ পৃথক ইজাৰাদাৰ/পট্টাদাৰ কৰি নোতোলে, আৰু এনে বাটোৱাৰাৰ পিছতো

মকৰাৰীদাৰসকল এজন ইজাৰাদাৰ/পট্টাদাৰ হিচাপে ৰায়তি স্বত্বৰ গোটেই ধন বা খাজনা পৰিশোধৰ বাবে দায়বদ্ধ হৈ থাকে।

White v. Tyndall (13 App. Cas. 263) উল্লেখ কৰা হৈছে।

**ৰায় :**

<u>দেৱানী আপীল ক্ষেত্ৰাধিকাৰ</u> : 1946 চনৰ 14 ফেব্ৰুৱাৰী তাৰিখে পাটনাৰ উচ্চ ন্যায়ালয়ে জাৰি কৰা ৰায় আৰু ডিক্ৰীৰ বিৰুদ্ধে কৰা আপীল। এই আপীল 1939 চনৰ স্বত্ব গোচৰ (Title Suit) নং 9 ৰ পৰা উদ্ভৱ হোৱা 1942 চনৰ মূল ডিক্ৰী (Original Decree) নং 117ৰ বিৰুদ্ধে কৰা আপীলৰ সৈতে সংযোজিত:

দেৱানী আপীল নং: 40/1950 ।

এছ. চি. মিশ্ৰ, আপীলকাৰীৰ হৈ ।

এন চি চেটাৰ্জী (তেওঁৰ সৈতে আছে পি বি গাংগুলি) প্ৰতিবাদীৰ হৈ।

1951 চনৰ 5 ফেব্ৰুৱাৰীত আদালতৰ ৰায়দান মহাজন ন্যা. (MAHAJAN J) দ্বাৰা প্ৰদান কৰা হয়।

**মহাজন ন্যা.** (MAHAJAN J) - এই আপীলটো 1939 চনৰ পালামাউ-ৰ অধীনস্থ-ন্যায়াধীশৰ আদালতত আপীলকাৰীসকলে দাখিল কৰা স্বত্ব গোচৰ নং 9-ৰ পৰা উদ্ভৱ হৈছে, যিটো গোচৰত আপীলকাৰীসকলে কিছু মাটিৰ সন্দৰ্ভত কেইবাটাও ঘোষণাৰ বাবে আৰু প্ৰতিবাদীসকলক খাজনাৰ গোচৰ লৈ আগবাঢ়ি যোৱাৰ বিৰুদ্ধে বাধা দিয়াৰ উদ্দেশ্যে নিষেধাজ্ঞাৰ আদেশ প্ৰদান কৰিবলৈ দাখিল কৰিছিল। এই গোচৰত অধীনস্থ-ন্যায়াধীশে আদেশ (Decree) প্ৰদান কৰিছিল

যদিও আপীলত সেই সিদ্ধান্ত পাটনা উচ্চ ন্যায়ালয়ে সলনি  কৰে আৰু আপীলকাৰীসকলৰ গোচৰ খাৰিজ কৰে।

গোচৰটোৰ উল্লেখযোগ্য তথ্যসমূহ হ'ল :

দাৰহা নামৰ গাওঁখন মূলতঃ পাঠক পৰিয়ালৰ পূৰ্বপুৰুষৰ লাখৰাজ ভূমি (ৰাজহমুক্ত ভূমি) আছিল। এশ বছৰৰ পূৰ্বে, পাঠকসকলে গোটেই গাওঁখন সিং পৰিয়ালৰ পূৰ্বপুৰুষসকলক (প্ৰতিবাদীসকলৰ প্ৰথম আৰু দ্বিতীয় পক্ষক) মকৰাৰী নামেৰে জনাজাত এক নিৰ্ধাৰিত বাৰ্ষিক খাজনাত (জামাত) ইজাৰা অৰ্থাৎ লীজত দিছিল, যিটো আছিল বছৰি 24 টকা। মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব পিছলৈ সিং পৰিয়ালৰ তিনিটা শাখালৈ হস্তান্তৰিত হৈছিল, যিটো প্ৰতিটো শাখাই তলত দিয়া অনুপাতত লাভ কৰিছিল: পৰমেশ্বৰ দয়াল আৰু অন্যান্য (প্ৰতিবাদীৰ প্ৰথম পক্ষ) ই ছয় আন্নাৰ পৰিসৰলৈকে, বিশ্বেশ্বৰ দয়াল সিং (প্ৰতিবাদকাৰীৰ দ্বিতীয় পক্ষ)এ আঠ আন্নাৰ পৰিসৰলৈকে, আৰু মাধ' সৰণ সিঙে দুই আন্নাৰ পৰিসৰলৈকে। পৰৱৰ্তী সময়ত মাধ' সৰণ সিংৰ দুই আন্নাৰ অংশ বাদীৰ পিতৃ হীৰানন্দ ঝাই দুৰ্গানন্দ ঝা আৰু ধৰম দয়ালৰ সৈতে যুটীয়াভাৱে ক্ৰয় কৰে। হীৰানন্দ ঝাৰ বাবে ধৰম দয়াল কেৱল বেনামিদাৰ (Benamidar) আছিল।

1916 চনৰ 5 জুন তাৰিখে বিশ্বেশ্বৰ দয়াল সিঙে দেওলাল পাঠক আৰু অন্যান্যসকলৰ পৰা লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ ছয় আন্না অংশ ক্ৰয় কৰে আৰু 1917 চনৰ 9 ফেব্ৰুৱাৰী তাৰিখে মন্দিল পাঠকৰ পৰা আৰু দুই আন্নাৰ অংশ ক্ৰয় কৰে। এই ক্ৰয়ৰ ফলত তেওঁ আঠ আন্না অংশৰ পৰিসৰলৈকে লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ স্বত্বাধিকাৰী হ'ল। তেওঁ ইতিমধ্যে মকৰাৰীৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব একে পৰিমাণে লাভ কৰিছিল, যিটো তেওঁ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল।

1917 বা 1918 চনৰ আশে-পাশে, হিৰানন্দ ঝা আৰু দুৰ্গানন্দ ঝা, যিয়ে ইতিমধ্যে মাধ' সৰণ সিঙৰ পৰা দুই আন্না মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব ক্রয় কৰিছিল, তেওঁলোকে খাজনাৰ আদেশ কাৰ্যকৰীকৰণ নামৰ আইনী প্রক্রিয়াৰে সমগ্র গাঁওখনৰ ৰায়তি স্বত্ব লাভ কৰিছিল। ফলস্বৰূপে তেওঁলোক গাঁৱৰ মাটিৰ দুই আন্না অংশৰ মকৰাৰীদাৰ আৰু ষোল্ল আন্না অংশৰ ৰায়ত হৈ পৰিছিল।

1918 চনত পালামাউ-ৰ অধীনস্থ-ন্যায়াধীশৰ আদালতত কেইবাখনো গাঁৱত অৱস্থিত আৰু প্রতিবাদীৰ প্রথম আৰু দ্বিতীয় পক্ষৰ পৰিয়ালৰ অন্তৰ্গত মাটি বাটোৱাৰাৰ বাবে 1918 চনৰ স্বত্ব গোচৰ (Title Suit) নং 59 ৰুজু কৰা হৈছিল। গোচৰ ৰুজু হোৱা সম্পত্তিৰ এটা অংশৰ সহ-অংশীদাৰ হিচাপে ঝাসকলক প্রতিবাদী (Defendants) হিচাপে গোচৰত অন্তৰ্ভুক্ত কৰা হৈছিল। 1921 চনত এই গোচৰৰ আদেশ (Decree) প্রদান কৰা হয় আৰু চূড়ান্ত বিভাজন বা বাটোৱাৰাত তেওঁলোকৰ পক্ষত দাৰহা গাঁৱত দুই আন্নাৰ অংশ আবণ্টন দিয়া হয়। খটিয়ান 1, 3 আৰু 6 বাদ দি বাকী চৈধ্য আন্না অংশ প্রতিবাদীৰ প্রথম পক্ষক আবণ্টন দিয়া হৈছিল। এই তিনি খটিয়ান বিশ্বেশ্বৰ দয়াল সিংহক আবণ্টন দিয়া হৈছিল আৰু সেই গাঁৱত থকা তেওঁৰ বাকী অংশৰ বিনিময়ত তেওঁক হোলেয়া (Holeya) গাঁৱত কিছু সম্পত্তি দিয়া হৈছিল। বাটোৱাৰাৰ ফলত প্রতিবাদীৰ প্রথম পক্ষই দাৰহা গাঁৱত চৈধ্য আন্নাৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব লাভ কৰিছিল, বিশ্বেশ্বৰ দয়াল সিঙৰ অংশীদাৰীত্ব মাত্র তিনি খটিয়ানত সীমাবদ্ধ আছিল, আৰু ঝা সকলে মকৰাৰীত থকা দুই আন্না অংশৰ বাবে সুকীয়া আবণ্টন পাইছিল। এইতো পৰিলক্ষিত হয় যে 1926 চনৰ আশে-পাশে কোনোবা সময়ত লাখৰাজ স্বত্বাধিকাৰী অৰ্থাৎ পাঠক সকল আৰু বিশ্বেশ্বৰ দয়াল সিঙে চৰকাৰক দিবলগীয়া কৰ (Cess) পৰিশোধ কৰিব নোৱাৰিলে। 1926 চনৰ 17 আগষ্টত তেওঁলোকৰ বিৰুদ্ধে কৰ

পুনৰুদ্ধাৰ/আদায়ৰ বাবে গোচৰ ৰুজু কৰা হয় আৰু 1927 চনৰ 18 অক্টোবৰত তেওঁলোকৰ অংশীদাৰীত্ব বিজয়নন্দন সাহে নামৰ এজনক প্ৰমাণপত্ৰ সম্পাদন কৰি বিক্ৰী কৰা হয়। বিক্ৰীটো স্পষ্টভাৱে লাখৰাজ অংশীদাৰীত্বৰ আছিল। 1927 চনৰ 19 ডিচেম্বৰত এই কথা নিশ্চিত কৰা হৈছিল আৰু 1928 চনৰ 10 মাৰ্চত বিক্ৰয় প্ৰমাণ পত্ৰ (Sale Certificate) প্ৰদান কৰা হৈছিল। ইয়াৰ পিছত 1928 চনৰ 15 জুলাইত দখল প্ৰদান কৰা হৈছিল। এই দখল কামতা প্ৰসাদ নামৰ এজনে লাভ কৰিছিল, যিয়ে 1928 চনৰ 20 এপ্ৰিলত এই অংশীদাৰীত্ব বিজয়নন্দন সাহেৰ পৰা অৰ্জন কৰিছিল। 1933 চনৰ 1 মে'ত কামতা প্ৰসাদে গাঁওখনৰ অংশীদাৰীত্ব আপীলকাৰীসকললৈ হস্তান্তৰ কৰে, যাৰ ফলস্বৰূপে আপীলকাৰীসকল গাঁওখনৰ 16 আন্না অংশৰ স্বত্বাধিকাৰী, দুই আন্না অংশৰ মকৰাৰীদাৰ আৰু সমগ্ৰ গাঁওখনৰ ষোল্ল আন্না অংশৰ ৰায়ত হৈ পৰিছিল।

1934 চনৰ 21 ছেপ্টেম্বৰত মকৰাৰীদাৰ হিচাপে প্ৰতিবাদীসকলৰ প্ৰথম পক্ষই আপীলকাৰীসকলৰ (Plaintiffs) বিৰুদ্ধে 1338-39 F বৰ্ষৰ বাবে ছয় আন্না অংশৰ পৰিসৰলৈকে আৰু 1340-41 F বৰ্ষৰ বাবে চৈধ্য আন্না অংশৰ পৰিসৰলৈকে বকেয়া পৰিশোধৰ বাবে গোচৰ দাখিল কৰে এই বুলি দাবী কৰি যে বাটোৱাৰাৰ আদেশৰ অধীনত তেওঁলোকে গাওঁখনৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ চৈধ্য আন্নাৰ অংশ পাইছিল। আপীলকাৰীসকলে গোচৰটো প্ৰতিদ্বন্দ্বিতা কৰিছিল এই বুলি অভিযোগ কৰি যে 1916-1917 চনত পাঠকসকলৰ পৰা বিশ্বেশ্বৰে ক্ৰয় কৰা লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বত বিশ্বেশ্বৰৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ অংশ একত্ৰিত বা বিলীন হৈ পৰিছিল আৰু চৰকাৰৰ প্ৰমাণপত্ৰৰ অধীনত বিক্ৰীৰ ফলত গাঁওখনত তেওঁৰ গোটেই আঠ আন্নাৰ মালিকীস্বত্ব বা অংশীদাৰিত্বসহ লাখৰাজ আৰু মকৰাৰী দুয়োটা অংশ আপীলকাৰীসকললৈ হস্তান্তৰিত হৈছিল আৰু প্ৰতিবাদীসকলৰ প্ৰথম পক্ষই আপীলকাৰীসকলৰ পৰা মকৰাৰীৰ ছয় আন্না অংশৰ পৰিসৰলৈকেহে খাজনা দাবী কৰিব পাৰিব। এই আবেদন নাকচ কৰা হয় আৰু

প্ৰতিবাদীসকলৰ প্ৰথম পক্ষই বিচৰা খাজনাৰ সম্পূৰ্ণ ধনৰ দাবী মঞ্জুৰ কৰি আদেশ (decree) দিয়া হয়। এই আদেশ আপীল আৰু দ্বিতীয় আপীলটো বাহাল ৰখা হৈছিল। স্বত্বৰ(title) প্ৰশ্নটো অৱশ্যে মুকলি কৰি ৰখা হৈছিল। 1938 চনত প্ৰতিবাদীসকলৰ প্ৰথম পক্ষই Fasli 1341 বৰ্ষৰ পিছৰ বছৰবোৰৰ খাজনাৰ চৈধ্য আন্না অংশ আদায় কৰিবলৈ মকৰাৰীদাৰ হিচাপে খাজনাৰ বাবে আন এটা গোচৰ দাখিল কৰে। এই গোচৰৰ ফলস্বৰূপে, আপীলকাৰী বা বাদীসকলে বৰ্তমানৰ গোচৰটো ঘোষণা আৰু নিষেধাজ্ঞাৰ বাবে এই অভিযোগৰ ভিত্তিত উত্থাপন কৰিছিল যে বিশ্বেশ্বৰ দয়াল সিঙৰ আঠ আন্না মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব তেওঁৰ লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বত একত্ৰিত বা বিলীন হৈছিল, বিক্ৰয় প্ৰমাণ পত্ৰৰ দ্বাৰা বিশ্বেশ্বৰ দয়াল সিঙে একত্ৰীকৰণৰ ফলত গাওঁখনৰ লাখৰাজ আৰু মকৰাৰী দুয়োটাৰে সকলো অংশীদাৰীত্ব হেৰুৱাইছিল, 1921 চনৰ বাটোৱাৰা বা বিভাজনৰ আদেশ অবৈধ আছিল আৰু যিকোনো স্থলতে, সেই আদেশৰ অধীনত প্ৰতিবাদীসকলৰ প্ৰথম পক্ষই কেৱল ছয় আন্না মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব লাভ কৰিছিল আৰু ৰায়তসকলৰ পৰা কেৱল সেই পৰিমাণেহে খাজনা  আদায় কৰাৰ অধিকাৰ আছিল।  খাজনাৰ গোচৰ আগবঢ়াই নিয়াৰ পৰা প্ৰতিবাদীসকলক বিৰত ৰাখিবলৈ নিষেধাজ্ঞাৰ আদেশ দাবী কৰা হৈছিল। আৰ্জিখনত অভিযোগ উত্থাপন কৰা হৈছিল যে মকৰাৰীদাৰসকলৰ মাজত ব্যক্তিগত বিভাজন হৈছিল যিটো  অনুসৰি দাৰহা গাঁৱৰ মাটিবোৰ মকৰাৰীদাৰসকলৰ তিনিটা গোটৰ মাজত বিভক্ত কৰা হৈছিল আৰু প্ৰতিটো গোটৰ দখলত নিজস্ব, পৃথক আৰু নিৰ্ধাৰিত অংশ আছিল। যুক্তি দিয়া হৈছিল যে লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ স্বত্বাধিকাৰসকলৰ মাজত আন এক সুকীয়া বিভাজন আছিল, যিটো আছিল এফালে বিশ্বেশ্বৰ দয়াল সিং আৰু আনফালে দেওলাল পাঠক, নমন পাঠক, আৰু সুৰজনাথ পাঠকৰ মাজত। এই বিভাজনৰ ফলস্বৰূপে পূৰ্বতে পৰমেশ্বৰ দয়াল সিং আৰু অন্যান্যসকলৰ লগতে হিৰানন্দ ঝা আৰু দুৰ্গানন্দ ঝাৰ মকাৰাৰী পাট্টাৰ অধীনত

থকা ভূমি হস্তান্তৰ কৰা হৈছিল দেওলাল পাঠক আৰু অন্যান্যসকলৰ মালিকীস্বত্বলৈ। ইয়াৰ বিপৰীতে, প্ৰতিবাদীসকলৰ দ্বিতীয় পক্ষৰ মকৰাৰী পাট্টাৰ অধীনত থকা ভূমিসমূহ তেওঁলোকৰ মালিকানাধীন লাখৰাজ পাট্টালৈ হস্তান্তৰ কৰা হৈছিল। এই বিভাজনৰ ফলত প্ৰতিবাদীসকলৰ দ্বিতীয় পক্ষৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব তেওঁলোকৰ লাখৰাজ স্বত্বৰ অংশ হৈ পৰিল আৰু প্ৰমাণপত্ৰ বিক্ৰীৰ ফলস্বৰূপে তেওঁলোকৰ সমগ্ৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব আপীলকাৰী/বাদীসকলৰ হাতলৈ যায়।

বিচাৰকৰণ আদালত (Trial Court)ৰ ন্যায়াধীশে ৰায় দিয়ে যে আপীলকাৰীয়ে তেওঁলোকৰ আৰ্জি (plaint)ৰ 5 আৰু 8 নং অনুচ্ছেদত অভিযোগ কৰা দুয়োটা বাটোৱাৰা (partitions) প্ৰমাণিত হৈছে আৰু বিশ্বেশ্বৰ দয়াল সিঙৰ মকৰাৰী স্বত্ব তেওঁৰ লাখৰাজ স্বত্বত একত্ৰিত/বিলীন হৈছে আৰু প্ৰমাণপত্ৰ বিক্ৰীৰ সময়ত, ক্ৰেতাই তেওঁৰ মকৰাৰী আৰু লাখৰাজ দুয়োটাৰ সম্পূৰ্ণ স্বত্বৰ লগতে পাঠকসকলৰ আঠ আন্না লাখৰাজ স্বত্ব লাভ কৰিছিল আৰু প্ৰতিবাদীসকলৰ প্ৰথম পক্ষ গাঁৰখনৰ ছয় আন্না সুদৰ মকৰাৰীদাৰ আছিল আৰু সেই পৰিমাণলৈকে তেওঁলোক খাজনাৰ গোচৰত আদেশ পোৱাৰ অধিকাৰী আছিল আৰু চৈধ্য আন্নাৰ পৰিসৰলৈকে তেওঁলোকে খাজনাৰ আদেশ দাবী কৰিব নোৱাৰে। উচ্চ ন্যায়ালয়ে আপীলত ৰায় দিয়ে যে আপীলকাৰীয়ে অভিযোগ কৰা কোনো বাটোৱাৰা প্ৰমাণিত হোৱা নাই আৰু পাঠক সকলৰ সৈতে বিশ্বেশ্বৰ দয়াল সিঙে যৌথভাৱে ৰখা ষোল্ল আন্নাৰ লাখৰাজ স্বত্বত আঠ আন্নাৰ মকৰাৰী স্বত্ব একত্ৰিত/বিলীন হ'ব নোৱাৰে। এই সিদ্ধান্তৰ ফলত আপীলকাৰীসকলৰ গোচৰ খাৰিজ কৰা হয়।

এই আপীলত আপীলকাৰীসকলৰ হৈ বিদ্বান অধিবক্তাই যুক্তি দৰ্শায় যে উচ্চ ন্যায়ালয়ে ভুলকৈ ৰায় দিছিল যে আপীলকাৰীসকলে 5 আৰু 8 নং অনুচ্ছেদত উত্থাপন কৰা বাটোৱাৰা দুটা প্ৰমাণিত হোৱা নাই। যুক্তি দিয়া হৈছিল

যে নথিভুক্ত তথ্য আৰু মৌখিক তথ্যই দুয়োটা বাটোৱাৰাক সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা কৰিছে আৰু এই বাটোৱাৰাৰ প্ৰতি লক্ষ্য ৰাখি এইবুলি ৰায় প্ৰদান কৰিব লাগিছিল যে বিশ্বেশ্বৰ দয়াল সিং আঠ আন্না লাখৰাজ স্বত্বৰ পৃথক স্বত্বাধিকাৰী হৈ পৰিল আৰু সেই স্বত্ব তেওঁৰ আঠ আন্নাৰ মকৰাৰী স্বত্বৰ সৈতে একত্ৰিত/ বিলীন হ'ল আৰু প্ৰমাণপত্ৰ বিক্ৰীৰ ফলত সমগ্ৰ স্বত্ব ক্ৰেতাৰ হাতলৈ গ'ল আৰু ইয়াৰ ফলত প্ৰতিবাদীৰ প্ৰথম পক্ষইহে ৰায়ত সকলৰ (raiyats)পৰা ছয় আন্না মকৰাৰী স্বত্বৰ পৰিসৰলৈকে খাজনা আদায় কৰিব পাৰিব।

আমাৰ মতামত এয়ে যে, এই আপীলখন আমাৰ সন্মুখত উত্থাপন কৰা বা তলৰ আদালত দুখনত দৰ্শোৱা পক্ষসমূহৰ নিজ নিজ বিতৰ্ক বিবেচনা নকৰাকৈয়ে চমুতে নিষ্পত্তি কৰিব পাৰি। আপীলকাৰীসকলৰ গোচৰটো সম্পূৰ্ণৰূপে এই দাবীৰ ওপৰত নিৰ্ভৰশীল যে বিশ্বেশ্বৰ দয়াল সিঙৰ আঠ আন্না লাখৰাজ স্বত্ব তেওঁৰ মকাৰাৰীৰ স্বত্বৰ সৈতে একে পৰিমাণে একত্ৰিত/বিলীন হৈছিল। কিন্তু আমাৰ বোধেৰে আপীলকাৰীসকলে তেওঁলোকৰ আৰ্জিত উল্লেখ কৰা তথ্যসমূহৰ ক্ষেত্ৰত একত্ৰীকৰণ বা বিলুপ্তিৰ মতবাদ প্ৰয়োগ কৰাৰ কোনো ভিত্তি নাছিল। যদি কোনো ইজাৰাদাতা/পট্টাদাতাই (lessor) ইজাৰাদাৰ/পট্টাদাৰৰ (lessee) স্বত্ব ক্ৰয় কৰে, তেন্তে নিঃসন্দেহে ইজাৰা/পট্টা (lease) বিলুপ্ত হয়, কাৰণ একেজন মানুহ একে সময়তে স্বত্বাধিকাৰী আৰু ৰায়ত দুয়োটা হ'ব নোৱাৰে, কিন্তু কেইবাজনো যৌথ স্বত্বাধিকাৰী  বা পট্টাদাৰৰ ভিতৰত যদি এজনে স্বত্বৰ এটা অংশ ক্ৰয় কৰে, তেনে ক্ষেত্ৰত ইজাৰা/পট্টা (lease)ৰ কোনো একত্ৰীকৰণ বা বিলুপ্তি হব নোৱাৰে। এনে ক্ষেত্ৰত পট্টা আৰু ইজাৰা/পট্টাৰ ম্যাদ শেষ হোৱাৰ পিছত ইজাৰাদাতা/পট্টাদাতাৰ সম্পত্তি পুনৰ দখল কৰাৰ অধিকাৰ (reversion) একত্ৰিত হৈছে বুলি কব নোৱাৰি। আপীলকাৰীসকলৰ গোচৰটো আছিল যে দাৰহা মৌজাক প্ৰথমে পট্টাৰ একক চুক্তিৰ অধীনত মকৰাৰীত প্ৰদান কৰা হৈছিল আৰু উত্তৰাধিকাৰ সূত্ৰেহে পট্টাদাৰৰৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব পৰিয়ালটোৰ তিনিটা শাখালৈ হস্তান্তৰিত হৈছিল আৰু বিশ্বেশ্বৰ দয়াল সিঙে

সমগ্ৰ পট্টাত আঠ আন্নাৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব লাভ কৰিছিল। তাৰ পিছত তেওঁ 1916 চনত সমগ্ৰ reversion ৰ ছয় আন্না মালিকীস্বত্ব বা অংশীদাৰিত্ব আৰু 1917 চনত ইয়াৰ আন দুই আন্না মালিকীস্বত্ব বা অংশীদাৰিত্ব ক্ৰয় কৰে। এই ক্ৰয়বোৰে তেওঁক সমগ্ৰ লাখৰাজ স্বত্বৰ যৌথ ইজাৰাদাৰ/পট্টাদাৰ কৰি তুলিছিল, বিশেষকৈ ইয়াৰ আধা অংশৰ (moiety) ইজাৰাদাৰ/পট্টাদাৰ কৰি তুলিছিল ।তেওঁ অৱশ্যে কেতিয়াও গাঁওখনৰ সমগ্ৰ লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্ব অথবা গাঁওখনৰ সমগ্ৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব পাবলৈ সমৰ্থ নহল। এইদৰে লাখৰাজ আৰু মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ অধীনত থকা সমগ্ৰ সম্পত্তিতে পট্টাদাতা আৰু পট্টাধাৰীৰ স্বত্বৰ কোনো সংমিশ্ৰণ/একত্ৰীকৰণ নহ'ল আৰু সেয়া হোৱাৰ বাবে বিশ্বেশ্বৰ দয়াল সিঙৰ মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্ব তেওঁৰ লাখৰাজৰ মালিকীস্বত্ব বা অংশীদাৰিত্বত একত্ৰীত বা বিলীন নহ'ল।

বিশ্বেশ্বৰ দয়াল সিং যিহেতু মকৰাৰী মালিকীস্বত্ব বা অংশীদাৰিত্বৰ কেইবাজনো যৌথ যৌথ স্বত্বাধিকাৰী বা পট্টাদাৰৰ ভিতৰত এজন আছিল, সেয়েহে তেওঁ লাখৰাজৰ মালিকীস্বত্ব বা অংশীদাৰিত্ব কিছু অংশ ক্ৰয় কৰিলেও পট্টাখনৰ বিলুপ্তি নঘটে অথবা ইয়াৰ অখণ্ডতা ভংগ নহয়। আপীলকাৰীসকলে দাবী কৰাৰ দৰে, মকৰাৰীদাৰসকলৰ মাজত মকৰাৰীৰ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ কথিত আভ্যন্তৰীণ বিভাজনে সম্পূৰ্ণ খাজনা পৰিশোধ কৰাৰ বাবে ইজাৰাদাতা/পট্টাদাতাৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা সলনি নকৰে। ইয়াৰ কাৰণ হৈছে, আইনী ক্ষেত্ৰত, পট্টাদাৰসকলৰ ভিতৰত একাধিক পট্টাদাৰক একক সত্তা হিচাপে গণ্য কৰা হয়। সেয়েহে, প্ৰতিজন পট্টাদাৰ পট্টাদাতাক পৰিশোধ কৰিবলগীয়া মুঠ খাজনাৰ বাবে যুটীয়াভাৱে দায়বদ্ধ, আৰু পট্টাদাৰসকলৰ সম্পত্তি সম্পৰ্কত উমৈহতীয়া অধিকাৰ আৰু দায়বদ্ধতা আছে। হোৱাইট বনাম টিণ্ডেল (White v. Tyndall) গোচৰত, লৰ্ড হালছবেৰীৰ(Lord Halsbury) ভাষাত, যেতিয়া কোনো সম্পত্তি একাধিক পক্ষক লিজত বা পট্টাত

দিয়া হয়, তেতিয়া তেওঁলোকক সামূহিকভাৱে পট্টাদাৰ বুলি গণ্য কৰা হয়; তেওঁলোক এটা খাজনা পৰিশোধ কৰাৰ বাবে সামূহিকভাৱে দায়বদ্ধ, দুটা পৃথক খাজনা নহয়। গোটেই পট্টাটোত পট্টাদাৰ আৰু পট্টাদাতাৰ প্ৰত্যক্ষ আইনী সংযোগ আছে। সম্পত্তিৰ সৈতে সম্পৰ্কিত সকলো চুক্তি পূৰণ কৰাৰ বাবে পট্টাদাৰ দায়বদ্ধ। আইনগতভাৱে, জড়িত পক্ষসমূহৰ মাজত মকৰাৰীৰ স্বত্বৰ আভ্যন্তৰীণ বিভাজনে পট্টাৰ অখণ্ডতা সলনি নকৰে আৰু এইটো যুক্তি দিব নোৱাৰি যে বিশ্বেশ্বৰ দয়াল সিং কথিত বিভাজনৰ(alleged division) জৰিয়তে অন্য এক নতুন পট্টা চুক্তিৰ অধীনত মকৰাৰীদাৰ হৈছিল। কেইবাজনো পট্টাদাৰৰ মাজত পট্টাৰ এনে বিভাজন সাধাৰণতে পট্টাদাৰৰ সুবিধাৰ বাবে কৰা হয়, কিন্তু ই কোনো কাৰণতে পট্টাৰ অখণ্ডতাক প্ৰভাৱিত নকৰে বা ইয়াৰ প্ৰতিজন স্বত্বাধিকাৰীক বেলেগ সম্পত্তিৰ পৃথক স্বত্বাধিকাৰী হিচাপে গঢ়ি নোতোলে। বৰ্তমানৰ গোচৰটোত সম্পত্তি বিভক্ত হোৱাৰ কোনো অভিযোগ উত্থাপন কৰা হোৱা নাই আৰু  গৰাকীৰ দ্বাৰা বিভাজনৰ ফলত একাধিক ৰায়ত অস্তিত্বত আহিছিল বুলিও অভিযোগ উত্থাপন কৰা হোৱা নাছিল। একেদৰে, কেইবাজনো লাখৰাজ স্বত্বৰ স্বত্বাধিকাৰীয়ে নিজৰ মাজতে বিভাজন কৰা বুলি কৰা দাবীয়ে পট্টাখনৰ অখণ্ডতাক প্ৰভাৱিত কৰিব নোৱাৰে, যদিহে প্ৰতিজন নতুন স্বত্বাধিকাৰীয়ে মকৰাৰীৰ স্বত্বৰ স্বত্বাধিকাৰীসকলৰ সৈতে পৃথকে পৃথকে সন্মতি দিয়াৰ প্ৰমাণ নাথাকে। গাঁওখনৰ লাখৰাজ সম্পত্তি এতিয়াও এটা একক সম্পত্তি, আৰু ইয়াক পৃথক পৃথক অংশত ভাগ কৰা হৈছে বুলি কোনো দাবী কৰা হোৱা নাই। লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্বৰ সকলো স্বত্বাধিকাৰী চৰকাৰক কৰ (cess) পৰিশোধ কৰাৰ বাবে যুটীয়াভাৱে দায়বদ্ধ আৰু কৰ পৰিশোধ নকৰাৰ বাবেই প্ৰমাণপত্ৰ বিক্ৰীৰ (certificate sale) জৰিয়তে গোটেই লাখৰাজ মালিকীস্বত্ব বা অংশীদাৰিত্ব বিক্ৰী কৰা হৈছিল। এনে পৰিস্থিতিত, একত্ৰীকৰণৰ মতবাদ প্ৰয়োগৰ বাবে প্ৰয়োজনীয় কোনো চৰ্ত আৰ্জিত উল্লেখ কৰা অভিযোগসমূহে পূৰণ কৰিবলৈ সমৰ্থ হৈছে বুলি কব নোৱাৰি।

আপীলকাৰীসকলৰ নিজৰ যুক্তি অনুসৰি প্ৰতিবাদীসকলৰ প্ৰথম পক্ষৰ ছয় আন্নাৰ স্বত্বৰ সন্দৰ্ভত পট্টাখন এতিয়াও সক্ৰিয় হৈ আছে আৰু সেয়েহে, পক্ষসমূহৰ মাজত নতুন কোনো চুক্তিৰ উল্লেখ নকৰাকৈয়ে বিশ্বেশ্বৰ দয়াল সিঙৰ আঠ আন্নাৰ স্বত্বৰ পৰিসৰলৈকে পট্টা বিলুপ্তি হোৱা বুলি দাবী কৰিব নোৱাৰি । ৰিভাৰ্চন (reversion) ৰ ফলত কোনো কাৰণতে সম্পত্তি হেৰাই যোৱা নাই আৰু লাখৰাজ আৰু মকৰাৰী দুয়োটা স্বত্ব এতিয়াও অক্ষত আছে।

ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে আমি উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ সৈতে একমত যে বিশ্বেশ্বৰ দয়াল সিঙৰ মকৰাৰী স্বত্ব তেওঁৰ লাখৰাজ স্বত্বত বিলীন হোৱা নাছিল আৰু প্ৰমাণপত্ৰ বিক্ৰীৰ জৰিয়তে নিষ্পাদন ক্ৰেতাৰ (execution purchaser) হাতলৈ যোৱা নাছিল; আনহাতে, পৰিয়াল মাজত বাটোৱাৰাৰ বাবে ই প্ৰতিবাদীসকলৰ প্ৰথম পক্ষৰ ওপৰত নিহিত হৈ পৰিছিল আৰু তেওঁলোকে আপীলকাৰীসকলৰ ৰায়তৰ পৰা চৈধ্য আন্না অংশৰ পৰিসৰলৈকে খাজনা আদায় কৰাৰ অধিকাৰী হৈ পৰিছিল। প্ৰমাণপত্ৰ বিক্ৰীৰ সময়ত নিষ্পাদন ক্ৰেতা আৰু তাৰ পিছত আপীলকাৰীসকললৈ যিমানখিনি স্বত্ব হস্তান্তৰিত হৈছিল, সেয়া আছিল কেৱল পাঠক আৰু বিশ্বেশ্বৰ দয়াল সিঙৰ লাখৰাজ স্বত্ব আৰু এইটো হ'ব নোৱাৰে যে এই বিক্ৰীৰ সময়ত নিষ্পাদন ক্ৰেতালৈ নিৰ্দিষ্ট এজন ঋনীৰ পৰা আন ঋণীৰ তুলনাত বেছিকৈ স্বত্ব হস্তান্তৰিত হৈছিল। আমাৰ দৃষ্টিত গোচৰৰ তথ্যৰ ক্ষেত্ৰত একত্ৰীকৰণৰ মতবাদ প্ৰযোজ্য নহয় আৰু সেয়েহে আপীলকাৰীসকলৰ গোচৰটো বিফল হোৱাটো নিশ্চিত। সেয়েহে আমি মত পোষণ কৰোঁ যে এই আবেদনৰ কোনো অৰ্থ নাই আৰু আপীলকাৰীসকলক খৰচৰ বহনৰ নিৰ্দেশ দি গোচৰ খাৰিজ কৰোঁ ।

আপীল খাৰিজ ।

আপীলকাৰীসকলৰ প্ৰতিনিধি : এছ পি বাৰ্মা।

প্ৰতিবাদীসকলৰ প্ৰতিনিধি : পি কে চেটাৰ্জী

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক , অনুবাদ শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।"